*Total number of pages – 8*

**CODE : 34T ECON**

# 2024

# ECONOMICS

*( For New Course Students )*

**Full Marks : 80**

**(Part–A = 40 + Part–B = 40)**

**Pass Marks : 24**

*( For Old Course Students in lieu of Project Works )*

**Full Marks : 100**

**(Part–A = 40 + Part–B = 40 + Part–C = 20)**

**Pass Marks : 30**

**Time : Three hours**

*Those who appeared till H.S. Final Exam.-2023 have been treated as Old Course students*

*The figures in the margin indicate full marks for the questions.*

## PART–A (ক – অংশ)

*For New Course*

*Q. No.* **1** *carries* **1** *mark each (any four)* ............................ 1×4 = 4
*Q. No.* **2** *carries* **2** *marks each (any five)* ............................ 2×5 = 10
*Q. No.* **3** *carries* **3** *marks each (any two)* ............................ 3×2 = 6
*Q. No.* **4** *carries* **6** *marks each (any two)* ............................ 6×2 = 12
*Q. No.* **5** *carries* **8** *marks each (any one)* ............................ 8×1 = 8
Total = 40

## PART–B (খ – অংশ)

*For New Course*

*Q. No.* **6** *carries* **1** *mark each (any four)* ............................ 1×4 = 4
*Q. No.* **7** *carries* **2** *marks each (any five)* ............................ 2×5 = 10
*Q. No.* **8** *carries* **3** *marks each (any two)* ............................ 3×2 = 6
*Q. No.* **9** *carries* **6** *marks each (any two)* ............................ 6×2 = 12
*Q. No.* **10** *carries* **8** *marks each (any one)* ............................ 8×1 = 8
Total = 40

## PART–C (গ – অংশ)

*For Old Course (in lieu of Project Works)*

*Q. No.* **11** *carries* **5** *marks each (any four)* ............................ 5×4 = 20
Total = 20

*Contd.*

## PART–A / ক–অংশ

1. Answer ***any four*** of the following questions : 1×4=4

তলত দিয়া প্ৰশ্নবোৰৰ ***যিকোনো চাৰিটাৰ*** উত্তৰ দিয়া ঃ

(i) What is intermediate good?
মধ্যৱৰ্তী দ্ৰব্য বুলিলে কি বুজা?

(ii) If MPS = 1, what is the value of MPC?
যদি MPS = 1 হয়, MPC ৰ মান কিমান হ'ব?

(iii) Primary Deficit = Fiscal Deficit – ________. *(Fill in the blank)*
প্ৰাথমিক ঘাটি = ৰাজকোষীয় ঘাটি – ________। *(খালী ঠাই পূৰণ কৰা)*

(iv) Which one of the following is not a quantitative credit control measure of the central bank?
তলৰ কোনটো কেন্দ্ৰীয় বেংকৰ পৰিমাণবাচক ঋণ নিয়ন্ত্ৰণ পদ্ধতি নহয়?

(a) Bank rate
বেংক হাৰ

(b) Open market operation
খোলা বজাৰ প্ৰক্ৰিয়া

(c) Variable reserve ratio
পৰিৱৰ্তনশীল সংৰক্ষিত পুঁজিৰ অনুপাত

(d) Direct control
প্ৰত্যক্ষ নিয়ন্ত্ৰণ

(v) Write *one* merit of flexible exchange rate.
পৰিৱৰ্তনশীল বিনিময় হাৰৰ *এটা* সুবিধা লিখা।

(vi) What is GDP deflator?
GDP সংকোচক কি?

2. Answer ***any five*** of the following questions : 2×5=10

তলৰ প্ৰশ্নবোৰৰ ***যিকোনো পাঁচটাৰ*** উত্তৰ দিয়া ঃ

(i) Differentiate between capital expenditure and revenue expenditure.
মূলধনী ব্যয় আৰু ৰাজহ ব্যয়ৰ মাজৰ পাৰ্থক্য লিখা।

(ii) What are the components of high-powered money?
উচ্চক্ষমতাসম্পন্ন মুদ্ৰাৰ উপাদানসমূহ কি কি?

(iii) What are the transactions that are included in the capital account of balance of payments?
পৰিশোধৰ সমতাৰ মূলধনী হিচাপত কি কি বিষয় অন্তৰ্ভুক্ত হৈ থাকে?

(iv) Define personal income and personal disposable income.
ব্যক্তিগত আয় আৰু ব্যক্তিগত ব্যয়যোগ্য আয়ৰ সংজ্ঞা লিখা।

*(v)* As a result of increase in investment by Rs. 125 crores, national income increases by 500 crores. Calculate the value of the multiplier.
বিনিয়োগ 125 কোটি টকা বৃদ্ধিৰ ফলত জাতীয় আয় 500 কোটি টকা বৃদ্ধি হয়। গুণকৰ মান নিৰ্ণয় কৰা।

*(vi)* Distinguish between stock and flow.
মজুত আৰু প্ৰবাহৰ মাজৰ পাৰ্থক্য দেখুওৱা।

*(vii)* Write *any two* implications of revenue deficit.
ৰাজহ ঘাটিৰ *যিকোনো দুটা* প্ৰভাৱ লিখা।

3. Answer ***any two*** of the following questions : 3×2=6
তলত দিয়া প্ৰশ্নবোৰৰ ***যিকোনো দুটাৰ*** উত্তৰ দিয়া ঃ

*(i)* Write *any three* limitations of barter system.
বিনিময় প্ৰথাৰ *যিকোনো তিনিটা* অসুবিধা উল্লেখ কৰা।

*(ii)* What is balance of payments deficit ? Write *two* causes of balance of payments deficit.
পৰিশোধৰ সমতাৰ ঘাটি কি? পৰিশোধৰ সমতাৰ ঘাটিৰ *দুটা* কাৰণ উল্লেখ কৰা।

*(iii)* Write a short note on :
Autonomous and Induced Investment.
চমু টোকা লিখা ঃ
স্বতন্ত্ৰ আৰু অভিপ্ৰেত বিনিয়োগ

*(iv)* What is a government budget ? What are the components of government budget ?
চৰকাৰী বাজেট কি? চৰকাৰী বাজেটৰ উপাদানসমূহ কি কি?

4. Answer ***any two*** of the following : 6×2=12
তলৰ প্ৰশ্নসমূহৰ ***যিকোনো দুটাৰ*** উত্তৰ দিয়া ঃ

*(i)* Discuss the motives of demand for money ? What is liquidity trap ? 5+1=6
মুদ্ৰাৰ চাহিদাৰ অভিপ্ৰায়সমূহ আলোচনা কৰা। তাৰল্য ফান্দ কি?

*(ii)* Briefly discuss the income method of calculating national income. From the following data calculate Gross National Product at market price ($GNP_{MP}$). 4+2=6
জাতীয় আয় গণনা কৰা আয় পদ্ধতিটো চমুকৈ আলোচনা কৰা। তলৰ তথ্যৰ সহায়ত বজাৰ দৰত মুঠ জাতীয় উৎপাদন গণনা কৰা।

| | | **(in Rupees crore)** (কোটি টকাত) |
|---|---|---|
| (i) | Mixed income of self-employed<br>স্বনিয়োজিত সকলৰ মিশ্ৰিত আয় | 400 |

**(in Rupees crore)**
(কোটি টকাত)

| | | |
|---|---|---|
| (ii) | Compensation of employees<br>কৰ্মচাৰীক দিয়া ক্ষতিপূৰণ | 500 |
| (iii) | Net factor income from abroad<br>বিদেশৰ পৰা হোৱা নিগুট আয় | (–20) |
| (iv) | Net Indirect Taxes (নিগুট পৰোক্ষ কৰ) | 100 |
| (v) | Consumption of fixed capital<br>স্থিৰ মূলধনৰ উপভোগ | 120 |
| (vi) | Profits (লাভ) | 350 |
| (vii) | Rent (খাজনা) | 100 |
| (viii) | Interest (সুদ) | 150 |

*(iii)* Discuss the functions of commercial bank.
বাণিজ্যিক বেংকৰ কাৰ্যাৱলী আলোচনা কৰা।

*(iv)* Define aggregate demand and aggregate supply. Complete the following table and determine the equilibrium level of income : 2+4=6

সামগ্ৰিক চাহিদা আৰু সামগ্ৰিক যোগানৰ সংজ্ঞা লিখা। তলত দিয়া তালিকাখন পূৰ্ণ কৰি ভাৰসাম্য আয়স্তৰ নিৰ্ণয় কৰা ঃ

| **Aggregate Supply** সামগ্ৰিক যোগান **(AS)** | **Consumption** উপভোগ **(C)** | **Savings** সঞ্চয় **(S)** | **Investment** বিনিয়োগ **(I)** | **Aggregate Demand** সামগ্ৰিক চাহিদা **(AD)** |
|---|---|---|---|---|
| 900 | 780 | | 40 | |
| 800 | 700 | | 40 | |
| 700 | 620 | | 40 | |
| 600 | 540 | | 40 | |
| 500 | 460 | | 40 | |
| 400 | 380 | | 40 | |
| 300 | 300 | | 40 | |
| 200 | 220 | | 40 | |
| 100 | 140 | | 40 | |

5. Answer ***any one*** of the following : 8×1=8
তলৰ প্ৰশ্নবোৰৰ *যিকোনো এটাৰ* উত্তৰ দিয়া ঃ

*(i)* What is fiscal policy ? Discuss the impact of changes in government expenditure and changes in taxes on equilibrium income. 2+3+3=8

ৰাজকোষীয় নীতি কি? ভাৰসাম্য আয়ৰ ওপৰত চৰকাৰী ব্যয়ৰ পৰিৱৰ্তন আৰু কৰৰ পৰিৱৰ্তনৰ প্ৰভাৱ আলোচনা কৰা।

(ii) Explain the determination of exchange rate under flexible exchange rate system.
পৰিৱৰ্তনশীল বিনিময় হাৰ ব্যৱস্থাত বিনিময় হাৰ নিৰ্ধাৰণ বৰ্ণনা কৰা।

(iii) Write short notes on : 4+4=8
চমু টোকা লিখা ঃ

(a) Demonetisation
বিমুদ্ৰাকৰণ

(b) Fiscal Responsibility and Budget Management Act, 2003
ৰাজকোষীয় দায়িত্ব সম্পৰ্কীয় আৰু বাজেট পৰিচালনা আইন, 2003

**PART–B / খ-অংশ**

6. Answer ***any four*** of the following questions : 1×4=4
তলৰ প্ৰশ্নবোৰৰ ***যিকোনো চাৰিটাৰ*** উত্তৰ দিয়া ঃ

(i) What is underdeveloped economy?
অনুন্নত অৰ্থনীতি বুলিলে কি বুজা?

(ii) In which year World Trade Organisation (WTO) was formed?
বিশ্ব বাণিজ্য সংস্থা (WTO) কোন চনত গঠন হৈছিল?

(iii) Write the full form of SHG.
SHG ৰ সম্পূৰ্ণ ৰূপ লিখা।

(iv) Write *one* objective of NITI Aayog.
NITI আয়োগৰ *এটা* উদ্দেশ্য লিখা।

(v) Golden revolution was related to —
- (a) fish production
- (b) horticulture production
- (c) milk production
- (d) agriculture production *(Choose the correct option)*

সোনালী বিপ্লৱ জড়িত আছিল —
- (a) মৎস্য উৎপাদনৰ সৈতে
- (b) উদ্যানশস্য উৎপাদনৰ সৈতে
- (c) দুগ্ধ উৎপাদনৰ সৈতে
- (d) কৃষি উৎপাদনৰ সৈতে *(শুদ্ধ বিকল্প বিচাৰ কৰা)*

(vi) Define privatisation.
ব্যক্তিগতকৰণৰ সংজ্ঞা লিখা।

7. Answer ***any five*** of the following questions : 2×5=10
তলৰ প্ৰশ্নবোৰৰ ***যিকোনো পাঁচটাৰ*** উত্তৰ দিয়া ঃ

(i) Mention *two* non-institutional sources of rural credit.
গ্ৰাম্য ঋণৰ *দুটা* অনানুষ্ঠানিক উৎস উল্লেখ কৰা।

(ii) Write *two* long-term goals of Five Year Plans of India.
ভাৰতৰ পঞ্চবাৰ্ষিক পৰিকল্পনাৰ *দুটা* দীৰ্ঘম্যাদী লক্ষ্য লিখা।

(iii) Mention *two* types of unemployment prevalent in the agriculture sector of India.
ভাৰতৰ কৃষিখণ্ডত প্ৰচলিত *দুই* প্ৰকাৰৰ নিবনুৱা সমস্যা উল্লেখ কৰা।

(iv) What is the importance of green revolution in the Indian agriculture?
ভাৰতৰ কৃষিখণ্ডত সেউজ বিপ্লৱৰ গুৰুত্ব কি?

(v) Write *two* positive effects of LPG policies in the Indian economy.
ভাৰতীয় অৰ্থনীতিত LPG নীতিৰ *দুটা* ধনাত্মক প্ৰভাৱ লিখা।

(vi) Write *two* merits of globalisation.
গোলকীকৰণৰ *দুটা* সুবিধা উল্লেখ কৰা।

(vii) Mention *two* objectives of disinvestment.
নিৰ্বিনিয়োগৰ *দুটা* উদ্দেশ্য উল্লেখ কৰা।

8. Answer ***any two*** of the following questions : 3×2=6
তলৰ প্ৰশ্নবোৰৰ ***যিকোনো দুটাৰ*** উত্তৰ দিয়া ঃ

(i) Write a note on Industrial Policy Resolution, 1956.
উদ্যোগিক নীতি প্ৰস্তাৱ, 1956 ৰ বিষয়ে এটি টোকা লিখা।

(ii) Briefly discuss *any one* serious environmental problem India is facing at present time.
বৰ্তমান সময়ত ভাৰতে সন্মুখীন হোৱা *যিকোনো এটা* গুৰুতৰ পৰিবেশীয় সমস্যাৰ বিষয়ে চমুকৈ আলোচনা কৰা।

(iii) Discuss the composition of India's foreign trade on the eve of independence.
স্বাধীনতাৰ প্ৰাকমুহূৰ্তত ভাৰতবৰ্ষৰ বৈদেশিক বাণিজ্যৰ গঠনৰ বিষয়ে আলোচনা কৰা।

(iv) Explain the role and importance of education in human capital formation.
মানৱ মূলধন গঠনত শিক্ষাৰ ভূমিকা আৰু গুৰুত্ব বৰ্ণনা কৰা।

9. Answer ***any two*** of the following questions : 6×2=12
তলৰ প্ৰশ্নবোৰৰ ***যিকোনো দুটাৰ*** উত্তৰ দিয়া ঃ

(i) Write a comparative note for India, China and Pakistan on the basis of
  (a) Demographic indicators
  (b) Human development indicators
  (a) জনসাংখ্যিক গাঁথনি আৰু
  (b) মানৱ উন্নয়নৰ নিৰ্দেশকসমূহৰ ভিত্তিত ভাৰত, চীন আৰু পাকিস্তানৰ এটি তুলনামূলক টোকা প্ৰস্তুত কৰা।



135

*(ii)* Briefly discuss the challenges India is facing in the context of employment.
নিয়োগৰ প্ৰেক্ষাপটত ভাৰতবৰ্ষই সন্মুখীন হোৱা সমস্যাসমূহ চমুকৈ আলোচনা কৰা।

*(iii)* What is economic reform? Explain the need for economic reforms in India. 1+5=6
অৰ্থনৈতিক সংস্কাৰ কি? ভাৰতবৰ্ষত অৰ্থনৈতিক সংস্কাৰৰ প্ৰয়োজনীয়তা বৰ্ণনা কৰা।

*(iv)* Outline the common developmental successes and failures of India and Pakistan. 3+3=6
ভাৰত আৰু পাকিস্তানৰ উমৈহতীয়া সফলতা আৰু বিফলতাৰ বিষয়ে লিখা।

10. Answer ***any one*** of the following : 8×1=8
তলৰ *যিকোনো এটা* প্ৰশ্নৰ উত্তৰ দিয়া ঃ

*(i)* What do you understand by agriculture marketing system? Discuss government measures to improve agriculture marketing system in India. 2+6=8
কৃষি বজাৰ ব্যৱস্থা বুলিলে কি বুজা? ভাৰতবৰ্ষত কৃষি বজাৰ ব্যৱস্থা উন্নত কৰিবলৈ গ্ৰহণ কৰা চৰকাৰী পদক্ষেপসমূহ আলোচনা কৰা।

*(ii)* Analyse the concept of sustainable development. Also discuss the strategies for sustainable development. 4+4=8
বহনক্ষম উন্নয়নৰ ধাৰণাটো বিশ্লেষণ কৰা। লগতে বহনক্ষম উন্নয়নৰ কৌশলসমূহ আলোচনা কৰা।

## PART–C / গ–অংশ

### *(For Old Course Students in lieu of Project Works)*

11. Answer ***any four*** of the following questions : 5×4=20
তলৰ *যিকোনো চাৰিটা* প্ৰশ্নৰ উত্তৰ দিয়া ঃ

*(i)* Write a critical note on public debt.
চৰকাৰী ঋণৰ বিষয়ে এটি সমালোচনাত্মক টোকা লিখা।

*(ii)* Discuss the sources of demand for foreign currency.
বৈদেশিক মুদ্ৰাৰ চাহিদাৰ উৎসসমূহ আলোচনা কৰা।

*(iii)* Can GDP be used as an index of country's welfare? Justify your answer.
GDP ক এখন দেশৰ কল্যাণৰ সূচকৰূপে ব্যৱহাৰ কৰিব পাৰিনে? তোমাৰ উত্তৰৰ সপক্ষে যুক্তি আগবঢ়োৱা।

*(iv)* What is human capital? Discuss the sources of human capital.
মানৱ মূলধন কি? মানৱ মূলধন গঠনৰ উৎসসমূহ আলোচনা কৰা।

*(v)* Briefly write about India as a knowledge economy.
জ্ঞান অৰ্থব্যৱস্থা হিচাপে ভাৰতবৰ্ষৰ বিষয়ে চমুকৈ লিখা।

*(vi)* Discuss the circular flow of national income in a simple economy.
এখন সৰল অৰ্থনীতিত আয়ৰ চক্ৰীয় প্ৰৱাহ আলোচনা কৰা।

———×———